যোৰহাট কলেজৰ ভৱন মুকলি

শ্রেষ্ঠ গৱেষণা পত্রিকা বঁটা প্রদান

'আমাৰ অসম'ৰ যোৰহাটৰ ষ্টাফ ৰিপৰ্টাৰ, ১৬ ছেপ্টেম্বৰ ঃ স্নাতক শিক্ষাত চতুর্থ বর্ষৰ সংযোজন হোৱাৰ পৰিপ্রেক্ষিতত যোৰহাট মহাবিদ্যালয়ত নির্মাণ কৰা প্রায় ৮,৫০০ বর্গফুটৰ এটা নতুন ভৱন আজি আনুষ্ঠানিকভাৱে উদ্বোধন কৰা হয়। ডিব্রুগড় বিশ্ববিদ্যালয়ৰ উপাচার্য অধ্যাপক জিতেন হাজৰিকাইবন্তি প্রজ্বলন কৰি এই ভৱনটো উদ্বোধন কৰে। তদুপলক্ষে মহাবিদ্যালয়খনৰ আলোচনা কক্ষত অনুষ্ঠিত এক গাম্ভীর্যপূর্ণ অনুষ্ঠানত শৈক্ষিক জগতৰ বহু বিশিষ্ট ব্যক্তি আৰু ছাত্র-ছাত্রী উপস্থিত থাকে। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সৌমিত্র পূজাৰীৰ পৌৰোহিত্যত আৰু পৰিচালনা সমিতিৰ সভাপতি ড° পৰাণ বৰুৱাৰ উপস্থিতিত অনুষ্ঠিত উদ্বোধনী সভাত ড° জিতেন হাজৰিকাই মুখ্য অতিথি হিচাপে অংশগ্রহণ কৰে। সভাত বিশিষ্ট অতিথি হিচাপে যোৰহাটৰ বিধায়ক ড° হিতেন্দ্র নাথ গোস্বামী, মহাবিদ্যালয়খনৰ অৱসৰপ্রাপ্ত অধ্যক্ষ ড° পৱিত্রপ্রাণ গোস্বামী আৰু অসম ঔদ্যোগিক আন্তঃগাঁঠনি উন্নয়ন নিগমৰ অধ্যক্ষ শান্তনু পূজাৰীয়ে অংশগ্রহণ কৰে। অতিথিকেইজনে ভাষণ দি মহাবিদ্যালয়খনৰ প্রগতি আৰু আন্তঃগাঁথনিমূলক উন্নয়নৰ উচ্চপ্রশংসা কৰে। ড°পবিত্রপ্রাণ গোস্বামীৰ দ্বাৰা ৰচিত সমবেত সংগীতেৰে আৰম্ভ হোৱা অনুষ্ঠানটিত আদৰণী ভাষণ প্রদান কৰে অধ্যক্ষ ড° সৌমিত্র পূজাৰীয়ে। এই অনুষ্ঠানতে মহাবিদ্যালয়খনৰ সহযোগী বিদ্যালয় মালৌ আলি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষা শ্যামলীমা বৰা আৰু শিক্ষক নৱেন বৰঠাকুৰক শ্রেষ্ঠ শিক্ষকৰ বঁটা লাভ কৰা বাবে সম্বর্ধনা জনোৱা হয়। অনুষ্ঠানত বাহনা কলেজৰ অধ্যক্ষ ড° চুম্বিত চলিহা, মৰিয়নি কলেজৰ অধ্যক্ষ ড° হৰেন গোৱালা, নবীন বৰদলৈ কলেজৰ অধ্যক্ষ ড° দিগন্ত কুমাৰ ফুকন, চিনামৰা কলেজৰ অধ্যক্ষ অঞ্জন শইকীয়া, টীয়ক চিকেৰি কলেজৰ অধ্যক্ষ ড° বিনয়ব্রত ৰাজখোৱা, ডিচিবি কলেজৰ অধ্যক্ষ ড° ধীৰেন তামুলী, চিকেৰি কমার্চ কলেজৰ অধ্যক্ষ ড°ব্রীজমোহন হাজৰিকা আৰু নতুন ভৱনটিৰ নির্মাণ সমিতিৰ আহ্বায়ক পংকজপাণি শইকীয়াক সম্বর্ধনা জনোৱা হয়। তদুপৰি, মহাবিদ্যালয়ৰ বিভাগসমূহৰ মাজত শৈক্ষিক উৎকর্ষ সাধনৰ স্বীকৃতি স্বৰূপে আগবঢ়োৱা বঁটাও প্রদান কৰা হয়। উল্লেখ্য, ২০২৫-২৬ বষৰ শ্রেষ্ঠ বিভাগৰ বঁটা শিক্ষাতত্ত্ব বিভাগে আৰু শ্রেষ্ঠ গৱেষণা পত্রিকাৰ বঁটা ইতিহাস বিভাগে লাভ কৰে। সভাত জানুৱাৰী-জুন বর্ষৰ মহাবিদ্যালয়ৰ 'নিউজ লেটাৰ' খন উন্মোচন কৰে যোৰহাট প্রেছক্লাবৰ সভাপতি অনন্ত নাৰায়ণ বৰঠাকুৰে উন্মোচন কৰে। অসমীয়া বিভাগৰ সহকাৰী অধ্যাপিকা ড° উষামণি কাকতিয়ে আঁত ধৰা সভাত ছাত্রী প্রতীশা দত্তই 'নিয়ৰৰে ফুল' শীর্ষক চিৰসেউজীয়া গীতটি পৰিৱেশন কৰে। সভাত শলাগৰ শৰাই আগবঢ়ায় সমাজতত্ত্ব বিভাগৰ সহকাৰী অধ্যাপিকা স্বপ্নাজ্যেতি বৰাই।